দেৱতা বা দেৱীয়ে কিদৰে সাৰ্বিক ৰূপ

## ৩.০১.০৭. শৈৱধৰ্ম

শিৱ প্ৰকৃতাৰ্থত লোক দেৱতা, জনজাতীয় দেৱতা, পৌৰাণিক দেৱতা, আনকি বৈদিক দেৱতা (ৰুদ্ৰ)। পণ্ডিতসকলৰ মতে আৰ্য্য আৰু প্ৰাগাৰ্য্য সংস্কৃতিৰ সংমিশ্ৰণৰ অগ্ৰসৃত প্ৰতিভূ হৈছে ৰুদ্ৰ-শিৱ। শিৱ আৰু শৈৱতত্ত্বৰ উৎপত্তিৰ ইতিহাস আৰ্য্য-বৈদিক আৰু প্ৰাগাৰ্য্য ধৰ্ম আৰু সংস্কৃতিৰ সংমিশ্ৰণ মাথোন। আৰ্য্যপূৰ্ব শিৱ আৰু শৈৱতত্ত্বৰ আভাস পোৱা যায় মহেঞ্জোদাৰো আৰু সিন্ধু সভ্যতাত।

(ক)

অতি প্ৰাচীন কালৰেপৰা অসমত (প্ৰাচীন কামৰূপত) শৈৱতত্ত্বই গুৰুত্বপূৰ্ণ স্থান লাভ কৰি আহিছে। তদানীন্তন আৰ্য্য-অনাআৰ্য্য উভয় সমাজতে শৈৱতত্ত্বই বিপুলভাৱে জনপ্ৰিয়তা অৰ্জন কৰিব পাৰিছিল। অসমৰ শৈৱতত্ত্বৰ এটা প্ৰধান বৈশিষ্ট্য হৈছে, ই তান্ত্ৰিকতাৰ পটভূমিত গঢ়ি উঠিছে আৰু শৈৱতত্ত্বৰ সৈতে শক্তিতত্ত্ব একাকাৰ হৈ পৰিছে। স্বৰূপাৰ্থত শিৱ আৰু শক্তি অভিন্ন। পুৰুষ আৰু প্ৰকৃতিকেই তন্ত্ৰই শিৱ আৰু শক্তি ৰূপে প্ৰতিপন্ন কৰিছে। জুইৰপৰা যিদৰে তাপ বিচ্ছিন্ন কৰিব নোৱাৰি, গাখীৰৰ পৰা যিদৰে ধাৱল্য গুণ দূৰ কৰিব নোৱাৰি তদ্ৰূপ শিৱৰ পৰাও শক্তিক বিচ্ছিন্ন কৰিব নোৱাৰি।

খ্ৰীঃ সপ্তম শতিকাৰপৰা খ্ৰীঃ দ্বাদশ শতিকা পৰ্যন্ত প্ৰাচীন কামৰূপৰ নৃপতিসৱৰ অভীষ্ট দেৱতা ৰূপে শিৱ পূজিত হৈছিল। আন আন দেৱ-দেৱীৰ মঠ-মন্দিৰৰ তুলনাত শিৱৰ মঠ-মন্দিৰৰ সংখ্যা অনেক বেছি। আনকি আধুনিক অসমতো শিৱৰ মঠ-মন্দিৰৰ সংখ্যাই অন্য দেৱ-দেৱীৰ মন্দিৰক চেৰ পেলাইছে। *কালিকা পুৰাণ*ৰ মতে শিৱৰ ক্ষেত্ৰৰ সংখ্যা আন আন দেৱ-দেৱীৰ ক্ষেত্ৰতকৈ অধিক। পশ্চিম কৰতোয়া নদীৰ পাৰৰ মহা বৃক্ষলিঙ্গৰ পৰা আৰম্ভ কৰি পূৱৰ বুঢ়ী-গঙ্গা নদীৰ পাৰৰ বিশ্বনাথ-শিৱৰ ক্ষেত্ৰলৈকে শিৱৰ ক্ষেত্ৰৰ সংখ্যা পোন্ধৰ, বিষ্ণুৰ ক্ষেত্ৰৰ সংখ্যা চাৰি আৰু দেৱীৰ ক্ষেত্ৰৰ সংখ্যা পাঁচ। *যোগিনীতন্ত্ৰ*ৰ মতে প্ৰাচীন কামৰূপত শিৱলিঙ্গৰ সংখ্যা কৌটিতকৈও অধিক ঃ

*সাৰ্দ্ধকোটিস্তথা লিঙ্গং ত্ৰিশতঞ্চ কলৌযুগে।*
*ভূমান্তৰস্থং লক্ষাঞ্চ সাৰ্দ্ধলক্ষং জলে প্ৰিয়ে।।*
*দ্বিলক্ষং পৰ্ব্বতে চৈব পঞ্চলক্ষং গুহাসু চ।*
*ভূমিপীঠ লক্ষসপ্তং বৃক্ষমূলে তু লক্ষকং।।*
*কুণ্ডমধ্যগতঃ লিঙ্গং অৰ্দ্ধলক্ষং বিজনীহি।*[৪]

*যোগিনীতন্ত্ৰ*ৰ বৰ্ণনাৰ ওপৰত নিৰ্ভৰ কৰি ক'ব পাৰি যে, নীলাচল পৰ্বতত বিদ্যমান শ্ৰেষ্ঠ মনোভৱ গুহাৰ অভ্যন্তৰত ৰক্ত-পানীয় ৰূপিণী কামাখ্যা কল্পবল্লৰী কোটিলিঙ্গৰ দ্বাৰা সমাকীৰ্ণা ঃ

*তন্মধ্যে পৰমেশানি মনোভৱগুহা পৰা।*
*মনোভৱ গুহামধ্যে ৰক্ত-পানীয় ৰূপিণী।।*
*কৌটিলিঙ্গ সমাকীৰ্ণা কামাখ্যা কল্পবল্লৰী।*
*তত্তেজসা তু সংদীপ্তা মনোভৱগুহা সদা।।*[৫]

ৰায়বাহাদুৰ গুণাভিৰাম বৰুৱাই অনুমান কৰে যে, নৃপতি জল্পেশ্বৰে প্ৰাচীন কামৰূপত শিব-পূজাৰ পৰম্পৰা প্ৰচলন কৰে। বৰ্তমানৰ জলপাইগুৰি, জল্পেশ্বৰৰ ৰাজধানী আছিল। নৃপতি জল্পেশ্বৰেই জল্পেশ্বৰ-দেৱালয়ৰ প্ৰতিষ্ঠাতা। এই পৰাক্ৰমী নৃপতিৰ ক্ষেত্ৰত ইতিহাস কিন্তু নিমাত। স্কন্দ-পুৰাণত জল্পনামধাৰী জনৈক নৃপতিয়ে শিব-পূজা কৰাৰ বৰ্ণনা সন্নিৱেশিত হৈছে। পূজাৰ ফলত তেওঁ শিৱলিঙ্গত লীন হৈছিল। তেতিয়াৰ পৰাই শিৱলিঙ্গৰ নাম হেনো জল্পেশ্বৰ হ'ল। যেনে ঃ

*তস্মিন্লিঙ্গে লয়ং প্ৰাপ্তে নৃপে ৰৰাননে।*
*দেৱো জল্পেশ্বৰঃ খ্যাতো দেৱৈকক্তো মহীতলে।।*[৬]

স্কন্দ-পুৰাণত বৰ্ণিত জল্পেশ্বৰ নৃপতিৰ আখ্যান ভাগৰ ওপৰত নিৰ্ভৰ কৰি কাকতিয়ে অনুমান কৰে যে, সেই সময়ত শিৱ পূজা বিশেষভাৱে প্ৰচলিত হোৱা নাছিল; বৈদিক যাগ-যজ্ঞহে বিস্তৃতভাৱে প্ৰচলিত হৈছিল।[৭] তথাকথিত অভিজাত সমাজৰদ্বাৰা সম্ভৱ শিৱপূজাই স্বীকৃতি লাভ কৰা নাছিল; লোক সমাজতহে শিৱ পূজা সমাদৃত হৈছিল। *কালিকা-পুৰাণ*ত উল্লেখ আছে যে, পৰশুৰামৰ ভয়ত সন্ত্ৰাসিত হৈ কিছুমান ক্ষত্ৰিয়ই 'ম্লেচ্ছ'ৰূপে আত্মগোপন কৰি আত্মৰক্ষাৰ্থে 'জল্পীশ শিৱ'ত শৰণ লৈছিল আৰু আৰ্য্য ভাষা-ভাষী হোৱা সত্ত্বেও তেওঁলোকে ম্লেচ্ছ ভাষা ব্যৱহাৰ কৰিছিল ঃ

*জামদগ্ন্যভয়াদ্ ভীতাঃ ক্ষত্ৰিয়াঃ পূৰ্বমেৱ যে।।*
*ম্লেচ্ছচ্ছদ্মান্যুপাদায় জল্পীশং শৰণং গতাঃ।*
*তেম্লেচ্ছবাচঃ সততমাৰ্য্যবাচশ্চ সৰ্বদা।।*
*জল্পীশং সেৱমানাস্তে গোপায়ন্তিছ তংহৰম্।*[৮]

মিথিলাৰপৰা নৰকাসুৰ প্ৰাগজ্যোতিষলৈ আহি ৰাজত্ব কৰাৰ পূৰ্বৰেপৰা কামৰূপ দেশ, শিৱই নিজৰ লীলাভূমি ৰূপে ৰাখিছিল ঃ

*নিমজ্য ক্ষণমাত্ৰেণ প্ৰাগ্‌জ্যোতিষপুৰং গতঃ।*
*মধ্যগং কামৰূপস্য কামাখ্যা যত্ৰ নায়িকা।।*
*স চ দেশাঃ স্বৰাজ্যাৰ্থে পূৰ্ব গুপ্তশ্চ শম্ভুনা।*[৯]

ইয়াৰপৰা সহজে বুজিব পাৰি যে, নৰকাসুৰ প্ৰাচীন কামৰূপলৈ অহাৰ পূৰ্বৰেপৰা ইয়াত শৈৱধৰ্মৰ প্ৰচলন আছিল। মদ্য মাংসাসক্ত, জ্ঞান-বিজ্ঞান বিবৰ্জিত, পীতকায় আৰু মুণ্ডিত কিৰাতসকল এই দেশৰ খিলঞ্জীয়া অধিবাসী আছিল। ভগদত্তৰ ৰাজত্বকালীন প্ৰাগজ্যোতিষ নগৰো যে, কিৰাত-চীন আদিৰদ্বাৰা পৰিবৃত আছিল তাৰ প্ৰমাণ মহাভাৰতৰ পৰাও পোৱা যায় ঃ

*স কিৰাতৈশ্চ চীনৈশ্চ বৃতঃ প্ৰাগ্‌জ্যোতিষোঽভৱৎ।*
*অন্যৈশ্চ বহুভিযোধৈঃ সাগৰানুপৱাসিভিঃ।।*[১০]

কিৰাতসকলৰ শেষ অধিপতিৰ নাম আছিল ঘটক। শিৱ-পূজক কিৰাতসকলক, অধিপতি ঘটক সমন্বিতে নৰকাসুৰে পৰাজয় কৰে। বিষ্ণুৱে শিৱৰপৰা অনুমতিলৈ শম্ভুৰদ্বাৰা ৰক্ষিত কিৰাতসকলক পূবে ললিতা-কান্তাক সীমা কৰি সাগৰ পৰ্যন্ত থাপিলে ঃ

*এৱমুক্তা স্বয়ং বিষ্ণুঃ শম্ভোৰনুমতে তদা।*
*সৰ্বান কিৰাতান্ পূৰ্বস্যাং সাগৰান্তে ন্যৱেশয়ৎ।।*

*পূৰ্ব ললিতকান্তায়াঃ সমালায়াবধিং পুনঃ।*
*যাৱৎ সাগৰপৰ্যন্তং কিৰাতান্তাবধাকন্।।*[১১]

বিষ্ণুৱে নৰকক প্ৰাগজ্যোতিষৰ সিংহাসনত স্থাপন কৰি কামাখ্যাদেৱী ব্যতিৰেকে অন্য দেৱ-দেৱীৰ পূজা কৰিবলৈ নিষেধ কৰিলে ঃ

*মহাদেৱী মহামায়াং জগন্মাতৰমম্বিকাম্।*
*কামাখ্যাং ত্বং বিনা পুত্ৰ নান্যদেৱং যজিষ্যসি।।*[১২]

আমি নিৰ্ভুলভাৱে সিদ্ধান্তত উপনীত হ'ব পাৰো যে, আৰ্য্যসভ্যতাৰ অগ্ৰদূত নৰকাসুৰৰ ৰাজত্বৰ প্ৰাৰম্ভণিৰ লগে লগে প্ৰাচীন কামৰূপত প্ৰকাশ্যভাৱে শিৱ-উপাসনাৰ অৱসান ঘটে।

শোণিতপুৰাধিপতি বাণ আছিল শৈৱ। *বিষ্ণু-পুৰাণ*-ৰ মতে বাণ, শিৱৰ পৰমভক্ত আছিল। আনকি ভক্ত বাণাসুৰৰ ৰক্ষাৰ বাবে ত্ৰিশূলপাণি শম্ভুৱে শ্ৰীকৃষ্ণৰ বিপৰীতে যুদ্ধত অৱতীৰ্ণ হৈছিল। *বিষ্ণু-পুৰাণ*-ৰ মতেও বাণাসুৰ শৈৱ আছিল। শম্ভুৰ প্ৰসাদত বাণে যুদ্ধত অমৰবৃন্দৰ কঁকাল ভাঙে। বাণৰ একান্তিকা ভক্তিত পৰিতুষ্ট হৈ হৰ-পাৰ্বতীয়ে তেওঁক পুত্ৰ হিচাপে গ্ৰহণ কৰে আৰু বাণৰ সন্তুষ্টিৰ বাবে শোণিতপুৰত গুপ্তভাৱে তেওঁলোক উভয়ে বাস কৰিবলৈ বাধ্য হয়। নৰকাসুৰ বাণাসুৰৰ প্ৰাণসম সখা আছিল। 'আসুৰেনাথ ভাব' বিশিষ্ট বাণৰ সংসৰ্গত নৰকো আসুৰিক স্বভাৱ সম্পন্ন হৈ উঠিল ঃ

*তৎসংসৰ্গাৎ স নৰকো দৃষ্ট্বা তস্যাদ্ভুতাং কৃতিম্।*
*তনৈৱ সহ ভাৱেন বিহৰ্তুমুপচক্ৰমে।।*[১৩]

বাণে নৰকৰ অন্তৰত বৈদিক দেৱতা বিষ্ণু, ইন্দ্ৰাদিৰ প্ৰতি বিদ্বেষৰ ভাৱ জাগ্ৰত কৰি ক'লে যে, শিৱ বা ব্ৰহ্মাকহে উপাসনা কৰা উচিত। প্ৰত্যুত্তৰত নৰকে কৈছিল ঃ 'মই শিৱক উপাসনা নকৰো ; যিহেতু তেওঁ মোৰ পুৰীত গুপ্তভাৱে বৰ্তমান আছে ঃ 'নৈৱাৰাধ্যস্তথা শম্ভুৰন্তৰ্গুপ্তঃ স মে পুৰে' অৰ্থাৎ শিৱ-উপাসনা প্ৰকাশ্যভাৱে নৰকৰ ৰাজ্যত অপ্ৰচলিত হৈছিল, যদিও গোপনীয়ভাৱে শিৱ-উপাসনা চলি আছিল। অন্যহাতে নৰকৰ ৰাজত্ব কালতেই বশিষ্ঠ মুনিয়ে সন্ধ্যাচলত শিৱক আৰাধনা কৰিছিল ঃ

*সন্ধ্যাচলে তত্ৰ মুনিৰাৰাধয়তি শংকৰম্।*
*বশিষ্ঠো ব্ৰহ্মণঃ পুত্ৰস্তং যুবামনুগচ্ছতম্।।*[১৪]

নৰকৰ মৃত্যুৰ পাছত প্ৰাচীন কামৰূপত শিৱ-উপাসনা বামাচাৰ ৰীতিৰ লগত সংমিশ্ৰিত হৈছিল। এই দেশৰ খিলঞ্জীয়া অধিবাসী আৰু নব্য অধিবাসী আৰ্য্যসকলেও বামাচাৰ মাৰ্গীয় শিৱ-উপাসনা কৰিছিল। তান্ত্ৰিক বৌদ্ধধৰ্মত স্থান লাভ কৰা অপৰাজিতা আৰু উগ্ৰতাৰাই শৈৱতত্ত্বৰ লগত একীভূত হৈছিল আৰু শিৱৰ মঠ-মন্দিৰবোৰত এওঁলোকৰ গুপ্ত উপাসনা চলিছিল।

(খ)

প্ৰাচীন অসমত শিৱ-উপাসনাৰ প্ৰাধান্য কিদৰে ৰক্ষিত হৈ আহিছে, তাৰ আভাস শাসনাৱলীৰ ওপৰত নিৰ্ভৰ কৰিও দিব পাৰি। ঐতিহাসিক প্ৰমাণেও ঐতিহ্যগত প্ৰমাণ ৰাশিক সমৰ্থন কৰাৰ সংযোগত প্ৰাচীন অসমত শৈৱতত্ত্বই কিদৰে বিস্তাৰ লাভ কৰিছিল তাৰ স্পষ্ট ইংগিত পোৱা যায়। খ্ৰীঃ ৭ম শতিকাৰপৰা খ্ৰীঃ ১২ম শতিকালৈকে প্ৰাচীন অসমত ৰাজত্ব কৰা সাতজন হিন্দু ৰজাই ভূমি দান কৰাৰ পৰিপ্ৰেক্ষিতত প্ৰদান কৰা তাম্ৰশাসন কেইখনত শিৱদেৱতাৰ গৌৰৱ-গৰিমা কীৰ্তন কৰা হৈছে।

ৰুমালৰ 'তেজপুৰ গ্ৰেণ্ট' আৰু 'পৰ্বতীয়া তাম্ৰশাসন'ৰপৰা জানিব পাৰি যে, ভগদত্ত শিৱৰ উপাসক আছিল।[১৬] ভগদত্তৰ উত্তৰাধিকাৰী ব্ৰজদত্তৰ শিৱৰ প্ৰতি আছিল একান্তিকা ভক্তি। ভাস্কৰ বৰ্মনৰ পূৰ্বপুৰুষ মহাভূতি বৰ্মনো আছিল

শৈৱ। তেনেদৰে ভাস্কৰ বৰ্মনো একনিষ্ঠ শৈৱ আছিল। শিৱ ভাস্কৰ বৰ্মনৰ ইষ্টদেৱতা। এই সম্পৰ্কত *হৰ্ষ-চৰিত*-ৰ এটা মন্তব্য প্ৰণিধানযোগ্য ঃ

> *Now from childhood upwards it was this Prince's (Bhaskarvarman) firm determination never to do homage to any being except the lotus feet of Siva.*[16]

'ডুবি-শাসন'ৰ মতে বৰ্মন বংশৰ প্ৰতিষ্ঠাতা নৃপতি পুষ্যবৰ্মন, সম্মান আৰু খ্যাতিৰ ক্ষেত্ৰত শিৱৰ সমান আছিল। পুষ্যবৰ্মন যে, শিৱ-উপাসক আছিল তাৰ সপক্ষে ইয়াতকৈ আৰু বেছি যুক্তি নিষ্প্ৰয়োজন। মহাভূতি বৰ্মনে নাগৰ ব্ৰাহ্মণসকলক বিস্তৰ পৰিমাণে ভূমি দান কৰিছিল। নাগৰ ব্ৰাহ্মণসকল হাটক-শিৱ-উপাসক আছিল।

বৰ্মন বংশৰ পিছতেই শালস্তম্ভ নামৰ এগৰাকী ম্লেচ্ছ-নাথে প্ৰাগজ্যোতিষৰ ৰাজকীয় ক্ষমতা হস্তগত কৰে। শালস্তম্ভ বংশৰ নৃপতিসকল শৈৱ আছিল। শালস্তম্ভৰ ষষ্ঠ অধস্তন হৰ্জৰ বৰ্মনে বৰ্তমান তেজপুৰৰ ওচৰত হাটক বা হেটুক শূলিনৰ (শিৱৰ) এটা মন্দিৰ নিৰ্মাণ কৰাইছিল। তেওঁৰ 'হাইয়ুংথল' তাম্ৰশাসনত শিৱক 'পৰমেশ্বৰ পৰমভট্টাৰক পৰম মাহেশ্বৰ' ৰূপে স্তুতি কৰা হৈছে। 'তেজপুৰ শাসন'তো হৰ্জৰবৰ্মনে নিজকে 'পৰমেশ্বৰ পৰম ভট্টাৰক পৰম মাহেশ্বৰ' বুলিছে। হৰ্জৰবৰ্মনৰ অব্যৱহিত পৰৱৰ্তী উত্তৰাধিকাৰী আছিল তেওঁৰ পুত্ৰ বনমাল বৰ্মাদেৱ। পিতাৰৰ নিচিনাকৈ তেৰোঁ শিৱৰ একনিষ্ঠ সেৱক আছিল। 'নগাঁও শাসন'ৰপৰা নিঃসন্দেহে ক'ব পাৰি যে, নৃপতি বলবৰ্মনেও পৰম নিষ্ঠাৰে শিৱ-উপাসনা কৰিছিল। পালবংশৰ ৰজাসকল শৈৱ আছিল। ইন্দ্ৰপালৰ 'গুৱাহাটী-তাম্ৰশাসন' আৰু 'গুৱাকুছি তাম্ৰশাসন' দুখনিত শিৱ আৰু বিষ্ণুৰ অভিন্নতা স্বীকাৰ কৰা হৈছে। ইন্দ্ৰপালৰ পুত্ৰ গোপাল বৰ্মদেৱৰ শাসনতো শিৱস্তুতি বৰ্ণিত হৈছে। গোপালদেৱৰ উত্তৰাধিকাৰী নৃপতি ধৰ্মপালে ভূমিদানৰ পৰিপ্ৰেক্ষিতত তিনিখন শাসন প্ৰদান কৰিছিল। তেওঁৰ প্ৰথম তাম্ৰশাসনখন (খোনামুখ তাম্ৰশাসন) 'অৰ্ধ যুৱতীশ্বৰমাদিদেৱ' শিৱৰ স্তুতিৰে আৰম্ভ হৈছে। তেওঁৰ 'শুভংকৰ পাটক তাম্ৰশাসন'ত 'অৰ্ধযুৱতীশ্বৰমাদিদেৱ' শিৱৰ প্ৰশস্তি পোৱা যায়। মহাৰাজ বল্লভদেৱ আৰু তেওঁৰ পিতৃ-মাতৃও শৈৱ আছিল।

(গ)

কোচ নৃপতিসকল নিষ্ঠাবান শৈৱ আছিল। কোচ বংশ আৰু কোচৰাজ্য প্ৰতিষ্ঠাতা আদি নৃপতি বিশ্বসিংহ শিৱবীৰ্য্য সম্ভূত, জনশ্ৰুতিয়ে ইয়াক স্বীকাৰ কৰে। দেৱী পূজক বিশ্বসিংহ, শিৱৰো ভক্ত। কমতেশ্বৰী দেৱীৰ মন্দিৰৰ উত্তৰে স্থিত শিৱ-বাণেশ্বৰ থানত তেওঁ শিৱ-শঙ্কৰক পূজিছিল। বিশ্বসিংহৰ পুত্ৰ মহাৰাজ নৰনাৰায়ণ নিশ্চিতভাৱে দেৱী কামাখ্যাৰ উপাসক ঃ 'কামাখ্যাচৰণাৰ্চ্চকোবিজয়তে শ্ৰীমল্লদেৱনৃপঃ'।[17] পিতৃ বিশ্বসিংহৰ নিচিনাকৈ মহাৰাজ নৰনাৰায়ণৰো শিৱৰ প্ৰতি আছিল অগাধ ভক্তি। অসম-ৰজাৰ-ৰাজ্য মাৰিবলৈ সসৈন্যে যাত্ৰা কৰি প্ৰথম নিশা সদাশিৱৰদ্বাৰা স্বপ্নাদৃষ্ট হৈ নৰনাৰায়ণে সোণকোষ নদীৰ তীৰত থানাপাৰি কছাৰী ৰীতিৰে শিৱ পূজা কৰিছিল। ভবেন নাৰ্জিৰ মতে নৰনাৰায়ণে জনজাতীয় নিয়মে কৰা এই শিৱ পূজাই 'বাথৌ খেৰাই' পূজা। ঐতিহাসিক গেইটৰ মতে নৃপতি নৰনাৰায়ণে এখন উৎকীৰ্ণ লিপি প্ৰকাশ কৰি ব্ৰহ্মপুত্ৰৰ উত্তৰ পাৰে জনজাতীয় নিয়মে শিৱ পূজা কৰা ঐতিহ্যক বিধিসঙ্গতভাৱে স্বীকৃতি দিছিল ঃ

> *This tribal mode of worship was recognised and legalised by the king by the issue of an edict which set aside the north bank of the Brahmaputra river for the practice of aboriginal forms of worship.*[18]

মহেশ্বৰ নেওগে, ভূষণ দ্বিজৰ *শ্ৰীশঙ্কৰদেৱ-চৰিত*ৰ ওপৰত নিৰ্ভৰ কৰি ৰজা নৰনাৰায়ণে শিৱলিঙ্গ উপাসনা কৰাৰ সম্ভাৱনা দেখা পাইছে। কোচ নৃপতিসকল যে, শিৱ উপাসক আছিল তাৰ স্পষ্ট সংকেত পোৱা যায়, তেওঁলোকৰ মুদ্ৰাত উৎকীৰ্ণ বিশেষণৰপৰা ঃ 'শ্ৰীশ্ৰীশিৱচৰণ কমল মধুকৰ।'

(ঘ)

বৰো-কছাৰীসকল বৃহৎ মঙ্গোলীয় গোষ্ঠীৰ। তেওঁলোকৰ সংস্কৃতি মঙ্গোলয়ড (কিৰাত) সংস্কৃতিৰ অবিচ্ছেদ্য অংগ। পৰম্পৰাগত মিথৰপৰা জনা যায় যে, 'বাথৌ শিব্ৰাই'ৰপৰা বৰো-কছাৰীসকলৰ উৎপত্তি হৈছে। কছাৰী বুৰঞ্জীৰ মতেও কছাৰীসকলৰ পিতৃ দেৱতা শিৱ। বৰো-কছাৰীসকলৰ মাজত আদিম দেৱতা শিৱ, গিলা, দামৰা, বাঁথিয়া, খেৰাই-শ্ৰীবাৰায় (ছিব্ৰায়), বাথৌ বাৰায় আদি নামেৰে পৰিচিত।

ত্ৰিপুৰাৰ নৃপতিসকলেও নিজকে শিৱৰ বংশধৰ বুলি বিশ্বাস কৰে। চুটীয়া-দেৱৰীসকলৰ মাজত শিৱ-দেৱতা 'বুঢ়া' আৰু পাৰ্বতী বা দুৰ্গা 'বুঢ়ী' ৰূপে পৰিচিত। সেইদৰে দেউৰী সমাজত শিৱ-পাৰ্বতী ক্ৰমে গিৰা-গিৰাচী বা পিশাডেমা (পিচাডেমা), বুঢ়া-বুঢ়ী ৰূপে পূজিত হৈ আহিছে। ডিমাছা লোক-মানসে বিশ্বাস কৰে যে, সৃষ্টি কৰ্তা বুলোবাজা আৰু তেওঁৰ পত্নী আড়িখীডিমাৰ পৰা ব্ৰাই শিব্ৰাই, শিব্ৰায় দেৱতাৰ জন্ম হৈছে। তেওঁলোকৰ দৃষ্টিত ব্ৰাই শিব্ৰাই দেৱাদিদেৱ। তিৱাসকলৰ প্ৰধান উপাস্য দেৱ-দেবী শিৱ আৰু পাৰ্বতী। তিৱা (লালুং) সকলেও মহাদেৱ আৰু পাৰ্বতীক প্ৰধান উপাস্য দেৱ-দেবী ৰূপে পূজা অৰ্চনা কৰে। ৰাভাসকলৰ মাজত শিৱদেৱতা, লাঙাবাজা বা লাঙ্গাদেৱতা ৰূপে পূজিত হৈ আহিছে। তেওঁলোকে কণ্ঠুমুক অৰ্থাৎ শিল এছটাক লাঙ্গাবজাৰ প্ৰতীক স্বৰূপে পূজা কৰে (লিঙ্গপূজা?)। সোণোৱাল কছাৰীসকলে শিৱদেৱতাক খিৰিবেজা বা বাইথ ৰূপে উপাসনা কৰে। দেউৰীসকলৰ দৃষ্টিত শিৱদেৱতাই কুণ্ডিমামা, গিৰা (গিৰাচী), বুঢ়া (বুঢ়ী) বা বলিয়াবাবা। হিন্দুধৰ্মী মিকিৰসকলে (কাৰ্বি) মহাদাইক (মহাদেৱক) উপাসনা কৰে। তেওঁলোকৰ ধৰ্মীয় বিশ্বাসত স্থান লাভ কৰি অহা 'হেমফু'ৰ লগত শিৱদেৱতাৰ সাদৃশ্য লক্ষ্য কৰিব পাৰি। মণিপুৰৰ আদিম অধিবাসী মেইতেইসকল শিৱ-উমাৰ পূজক। তেওঁলোকে শিৱ আৰু উমাক ক্ৰমান্বয়ে 'নম্পক লিথৌ' আৰু 'পাইৰিবি' ৰূপত পূজা কৰে। অসমৰ উত্তৰ কাছাৰ পাহাৰ জিলাৰ অধিবাসী হিন্দুধৰ্মী ৰাংখলসকলৰ মাজত শিৱদেৱতা 'বলিৰাজা' ৰূপে পৰিচিত।

(ঙ)

মহাপুৰুষ শংকৰদেৱৰ জন্মৰ সময়ত শৈৱতত্ত্ব অসমৰ জীৱন্ত ধৰ্ম আছিল। দ্বিজ ৰামানন্দই লিখিছে যে, সেই সময়ত লোকে কৃষ্ণ বা হৰিৰ পূজা কৰা নাছিল, ভৈৰৱ পূজাহে কৰিছিল আৰু ইয়াকে শ্ৰেষ্ঠ ধৰ্ম-পথ ৰূপে বিবেচনা কৰা হৈছিল। ভৈৰৱ শিৱৰে এটা ৰূপ। তদানীন্তন ভৈৰৱ পূজা ইমানেই জনপ্ৰিয় আছিল যে, স্বয়ং বিষ্ণুকো মহাভৈৰৱ ৰূপত মদ্য-মাংসাদি ভোগেৰে পূজা কৰাৰ ৰীতি প্ৰবহমান হৈছিল। সুকুমাৰ মহন্তৰ ঘৰত পোৱা অসম বুৰঞ্জীৰ মতে কমতা ৰজাৰ ৰাজধানীৰ পশ্চিমফালে কমতেশ্বৰ গোসাঁইৰ পূৱ ফালে পাষাণ ভৈৰৱৰ ক্ষেত্ৰ আছিল। বিয়াৰ আগদিনা সকলোৰে সেই পাষাণ ভৈৰৱত পূজা দিছিল। শংকৰদেৱৰ পিতৃ কুসুম্বৰ আছিল শিৱ পূজক। কথা গুৰুচৰিতৰ মতে কুসুম্বৰে দুজনী স্ত্ৰী বিয়া কৰালে, তথাপি অপুত্ৰক। অৱশেষত শিঙৰিৰ গোপেশ্বৰ-শিৱক জবা, পুৰা, দধি, দুগ্ধ, ঘৃত, মধু, আখৈ, পিঠা, পায়স, পনস, চেনি, চুৰা, ফল, খীৰ, খীৰিসা আদিৰে পূজা কৰি পুত্ৰ লাভ কৰিছিল।[৩৯] ভূষণ দ্বিজৰ চৰিতত উল্লেখ আছে যে, কুসুম্বৰে 'শিৱলিংগ পূজি' শংকৰদেৱক পুত্ৰ ৰূপে লাভ কৰে। দৈত্যাৰি ঠাকুৰৰ মতেও কুসুম্বৰে শিৱক আৰাধনা কৰি 'পুত্ৰবৰ' লাভ কৰিছিল। তদনুক্ৰমে কুসুম্বৰৰ ঔৰসত সত্যসন্ধ্যাৰ গৰ্ভত শংকৰদেৱৰ জন্ম হৈছিল। ব্যাসকলাই নামৰ শংকৰদেৱৰ সংগী এজনে মহাপুৰুষ শংকৰদেৱৰ নিৰ্দেশ ভংগ কৰিও পুত্ৰক আগন্তুক মৃত্যুৰ গ্ৰাসৰপৰা ৰক্ষা কৰিবলৈ শিৱ-পূজা কৰিছিল।[৪০] মাধৱদেৱৰ ককায়েক শিৱ উপাসক আছিল। ইয়াৰ আভাস পোৱা যায় শিৱচতুৰ্দশীৰ দিনা মাধৱদেৱৰ ককায়েকে তেওঁক (মাধৱদেৱক) শিৱ-পূজা কৰিবলৈ নিৰ্দেশ দিয়াৰ পৰা। দৈত্যাৰি ঠাকুৰৰ গুৰু চৰিতত উল্লেখ আছে যে, ৰজা নৰনাৰায়ণে শিৱ পূজাৰ ব্যৱস্থা কৰিবৰ বাবে পণ্ডিত অসুৰাৰি ভট্টাচাৰ্য্যক পঠিয়াইছিল। ৰামৰায়ৰ গুৰু লীলাত মহাপুৰুষ শংকৰদেৱক শিৱৰ অৱতাৰ বোলা হৈছিল।[৪১]

আহোম স্বৰ্গদেৱসকলে নিজকে ইন্দ্ৰবংশী বুলি বিশ্বাস কৰিলেও শিৱৰ প্ৰতি তেওঁলোকৰ আছিল গভীৰ ভক্তি। আহোমসকলে শিৱক সাধাৰণতে বুঢ়া গোসাঁই বা বুঢ়া ডাঙৰীয়া ৰূপে উপাসনা কৰিছিল। আহোমসকলে অসমত ভৰি দিয়াৰ পূৰ্বৰেপৰা এই দেশৰ ধৰ্মীয়ৰাজ্যত শিৱদেৱতাই একাধিপত্য বিস্তাৰ কৰি আছিল; বিশেষকৈ তদানীন্তন অসমৰ বিভিন্ন জাতি-উপজাতিৰ মাজত শিৱই প্ৰধান উপাস্য দেৱতা ৰূপে স্বীকৃতি লাভ কৰিছিল। শিৱ উপাসক সেই জাতি-উপজাতিৰ সংস্কৃতিৰ লগত আহোমৰ সাংস্কৃতিক সমন্বয়ৰ ফলত 'চোমদেও'ৰ উপাসক আহোমসকলে শিৱদেৱতাক উপাসনা কৰিবলৈ লোৱা যেন লাগে। আহোমসকলৰ ধৰ্মীয় জীৱনত শিৱ দেৱতাই যে, বৰপীৰা পাৰি বহিবলৈ সক্ষম হৈছিল — তাৰ প্ৰমাণ পোৱা যায় শিৱৰ মংগলাচৰণেৰে আৰম্ভ হোৱা প্ৰথম বুৰঞ্জীবিলাকৰ পৰা। *সাতসৰী অসম বুৰঞ্জী*খন প্ৰথমখন শিৱৰ প্ৰশস্তিৰে আৰম্ভ হৈছে ঃ 'শিৱায়ে নমঃ।' প্ৰথম আহোম স্বৰ্গদেৱ চুকাফাই চৰাইদেউত ৰাজধানী স্থাপন কৰে খ্ৰীঃ ১২৫৩ চনত। ধৰ্মীয় বিশ্বাসৰ ফালৰপৰা চৰাইদেউ পাহাৰ প্ৰাক্ আহোম যুগৰেপৰা পবিত্ৰ তীৰ্থস্থান ৰূপে পৰিগণিত হৈ আহিছিল। সেয়েহে বৰাহী ৰজাই চুকাফাক কৈছিল ঃ 'আমাৰ দেওধনি থকা ঠাইতে নগৰ কৰিবলৈ ভাল'। চুকাফাই চৰাইদেউত ৰাজধানী স্থাপন কৰাৰ পূৰ্বে ইয়াত শিৱ বা শক্তি দেৱীৰ মন্দিৰ থকা যেন লাগে। আদি স্বৰ্গদেৱ চুকাফা আছিল শিৱ উপাসক। ত্যাওফা-চুহুম ওৰফে দিহিঙীয়া (চুহুংমুং দিহিঙীয়া ৰজা বা স্বৰ্গ নাৰায়ণ, ১৪৯৭-১৫৩৯) স্বৰ্গদেৱে দেৱগ্ৰামৰ মহাদেৱ গোসাঁইক বলি-বিধানেৰে পূজা কৰাৰ প্ৰমাণ পোৱা যায়। স্বৰ্গদেৱ প্ৰতাপ সিংহই হিন্দুমতে শিৱ পূজা কৰিছিল। এই গৰাকী স্বৰ্গদেৱে ৰাজ সিংহাসনত আৰোহণ কৰাৰ পূৰ্বেও শিৱ দেৱতাক পূজিছিল। চুহেনফা স্বৰ্গদেৱে (১৪৩৯-১৪৮৮) ১৪৮০ চনত নৰঙ্গৰ নাগশঙ্কৰ মন্দিৰ পুনৰ্নিৰ্মাণ কৰে। প্ৰতাপ সিংহৰ পূৰ্বে খোৰাৰজাৰ (১৫৫২-১৬০৩) দিনত আহোম নিয়মেহে শিৱ পূজা অনুষ্ঠিত হৈছিল। প্ৰতাপসিংহই (১৬০৩-১৬৪১) ৰাজপাটত উঠি 'মহেশ্বৰ ঘৰ' নামে এটা শিৱ মন্দিৰ নিৰ্মাণ কৰায়। এই গৰাকী স্বৰ্গদেৱৰ ৰাজত্ব কালৰেপৰা শিৱ দ'লৰ প্ৰচলন হয়। আহোম নৃপতিসকলৰ ভিতৰত প্ৰতাপসিংহই সৰ্ব প্ৰথমে শিৱ মন্দিৰ নিৰ্মাণ কৰায়। তেওঁ নেঘেৰিটিঙত শিৱ মন্দিৰ নিৰ্মাণ কৰি দিয়ে। জনশ্ৰুতি অনুসৰি পৌৰাণিক কালত এই ঠাইতে এটা শিৱ মন্দিৰ আছিল আৰু ঔৰ্ব ঋষিয়ে ইয়াত শিৱ উপাসনা কৰিছিল আৰু এইঠাইতে দ্বিতীয় কাশী প্ৰতিষ্ঠা কৰিবলৈ অনেক শিৱ লিংগ প্ৰতিষ্ঠা কৰিছিল। তেতিয়াৰেপৰা এই স্থানে 'শীতল পথৰ' বা 'শীতল নেঘৰী' নামে পৰিচয় লাভ কৰে। 'শীতল' শব্দটো 'শিৱতল' শব্দৰ বিকৃতি মাথোন। প্ৰতাপ সিংহই শীতল নেঘেৰীত মন্দিৰ নিৰ্মাণ কৰাই তাত 'বাণ লিংগ' প্ৰতিষ্ঠা কৰে। ১৬২৭ চনত তেওঁ দেৱগাঁৱৰ (দেৱগাঁও<দেৱগ্ৰাম) শিৱ মন্দিৰ পুনৰ্নিৰ্মাণ কৰি শিৱৰ পূজা-সেৱাৰ বাবে পাঁচশ মানুহ নিয়োগ কৰে আৰু সামগ্ৰী যোগানৰ অৰ্থে হাতী-ঘোঁৰাৰ ব্যৱস্থা কৰে। দেৱগাঁৱৰ বাণ লিংগৰ প্ৰতি স্বৰ্গদেৱসকলৰ আছিল অসীম ভক্তি। তেওঁলোকে শিৱ দেৱতাক 'বৰ বোপাই' (The Great Father) বুলিছিল। নেঘেৰিটিঙৰ বাণ লিংগৰ নিৰ্মালি গ্ৰহণ নকৰাকৈ স্বৰ্গদেৱসকলে কেতিয়াও দুপৰীয়াৰ আহাৰ গ্ৰহণ নকৰিছিল। স্বৰ্গদেৱ প্ৰতাপ সিংহৰ শিৱৰ প্ৰতি কিমান গভীৰ ভক্তি আছিল তাৰ প্ৰমাণ পোৱা যায় বঙাল যুদ্ধলৈ যাত্ৰা কৰাৰ আগ মুহূৰ্তত অনেক সম্ভাৰেৰে স্তুতি-স্তোত্ৰ কৰি তেওঁ মহেশ্বৰক পূজা-অৰ্চনা কৰাৰ সংযোগত।[১১]

গদাধৰ সিংহই (১৬৮১-১৬৯৬) হিন্দুধৰ্ম আৰু পৰম্পৰাৰ প্ৰতি উদাৰভাৱ পোষণ কৰা নাছিল; যদিও তেওঁ মাইবেলা, চৰাইদেউ, বহদৈ, উমানন্দ আৰু বশিষ্ঠাশ্ৰমত লাংকুৰি বা শিৱৰ দ'ল নিৰ্মাণ কৰাইছিল।[১২] তেওঁৰ নিৰ্দেশ মতে গড়গঞা সন্দিকৈ বৰফুকনে খ্ৰীঃ ১৬৯৪ চনত উমানন্দ মন্দিৰ নিৰ্মাণ কৰায়, আৰু তদুদ্দেশ্যে তেওঁ দুখন ফলি প্ৰদান কৰে। ১৬৮৫ চনত গদাধৰ সিংহই বিশ্বনাথ মন্দিৰ নিৰ্মাণ কৰি তামৰ ফলি প্ৰদান কৰে। ১৬৯০ চনত তেওঁ ১০৮ জন ব্ৰাহ্মণৰ দ্বাৰা বিশ্বনাথত 'জপ হোম' কৰাইছিল।

ৰুদ্ৰসিংহ শিৱ-উপাসক আছিল। কমেশ্বৰ দেৱালয়ৰ শিলৰ ফলিত তেওঁক 'শ্ৰীৰুদ্ৰ-চৰণাৰ্চক শ্ৰীৰুদ্ৰসিংহ মহাৰাজাধিৰাজঃ' ৰূপে আখ্যা দিয়া হৈছে। ৰুদ্ৰসিংহই তেওঁৰ ৰাজত্বৰ দ্বিতীয় বছৰত মৰোৱা মুদ্ৰাত এনেদৰে নিজৰ পৰিচয় দিছে: "শ্ৰীশ্ৰীমৎ সৌমাৰেশ্বৰ দ-ৰ ৰুদ্ৰসিংহ সংশাকে ১৬১৯; শ্ৰীশ্ৰীহৰ-গৌৰী পদযুগল কমল মধুকৰ।" ইয়াৰপৰা সহজে অনুমান কৰিব পাৰি যে, তেওঁ হৰ-গৌৰীৰ সেৱক আছিল। তেজপুৰ নগৰৰ প্ৰায় ১০ কি.মি. দূৰত অৱস্থিত হলেশ্বৰ নামে ঠাইত হলকৰ্ষণত শিৱ-লিংগ এটি নিৰ্গত হোৱা হেতু সেই ঠাইত ১৭০৫ চনত ৰুদ্ৰসিংহই মন্দিৰ এটা নিৰ্মাণ কৰাইছিল। শোণিতপুৰ জিলাৰ (বৰ্তমানৰ) চিলাবন্ধা মৌজাৰ অন্তৰ্গত জামুগুৰিৰ পৰা প্ৰায় ৩ কি.মি. দূৰত অৱস্থিত নন্দিকেশ্বৰ দেৱালয়টো ৰুদ্ৰসিংহই ১৬৯৭ চনত প্ৰতিষ্ঠা কৰাইছিল। এই দেৱালয়ৰ অধিষ্ঠাতা দেৱতা ভৈৰৱ নন্দিকেশ্বৰ আৰু দেৱী নন্দিনী ভৈৰৱী। বৰ্তমান শোণিতপুৰ জিলাৰ বাঁহবাৰী গাঁৱত অৱস্থিত বাণেশ্বৰ দেৱালয়টোও স্বৰ্গদেউ ৰুদ্ৰসিংহই ১৭০৫ চনত নিৰ্মাণ কৰাইছিল। এই দেৱালয়ত যোনিমণ্ডল আৰু শিৱলিংগ প্ৰতিষ্ঠা কৰা হৈছিল।

ৰুদ্ৰসিংহ স্বৰ্গদেৱে আউনীআটী সত্ৰৰ গুৰু হৰিদেৱ অধিকাৰী বাপুত শৰণ লৈ মাজুলিত চাৰিগড় কৰি সত্ৰ পাতি অনেক বৃত্তিবিধান দিয়াইছিল। স্বৰ্গদেৱে আউনীআটী সত্ৰৰ অধিকাৰী হৰিদেৱ গোসাঁইত শৰণ লৈছিল, যদিও মহাদেৱৰ প্ৰতি তেওঁৰ আছিল গভীৰ ভক্তি। জনশ্ৰুতি প্ৰচলিত আছে যে, ৰুদ্ৰসিংহই একসেৰ মৃত্তিকাৰ শিৱলিংগ নিৰ্মাণ কৰি গন্ধ-পুষ্প-ধূপ-দীপ-বিল্বপত্ৰ, নৈবেদ্য সহ পূজা কৰে। কোনো কোনো সময়ত শিৱ-মূৰ্তিৰপৰা অগ্নি নিৰ্গত হৈ উছৰ্গিত বিল্বপত্ৰাদি পুৰি ভস্ম কৰিছিল। ৰুদ্ৰসিংহ স্বৰ্গদেৱে সদায়েই মহাদেৱক 'বোপা', 'বোপা' বুলি স্মৰণ কৰিছিল। ৰুদ্ৰসিংহৰ অব্যৱহিত পাছত শিৱসিংহ (১৭১৪-১৭৪৪) সিংহাসনত উঠে। শিৱসিংহই প্ৰদান কৰা শাসনবোৰত নিজকে 'শ্ৰীহৰগৌৰীপদাৰবিন্দমকৰন্দসন্দোহবিলীনমানমধুকৰ', 'শ্ৰীহৰগৌৰী পদ পদ্মত ভ্ৰমৰ' ৰূপে বৰ্ণনা কৰিছে। তেওঁ নীলাচলৰ কামেশ্বৰ শিৱ মন্দিৰ, নীলাচলৰ সিদ্ধেশ্বৰ মন্দিৰ, উমানন্দ, সিদ্ধেশ্বৰ দেৱালয়, দেৱগাঁৱৰ শিৱ দ'ল, ধাৰেশ্বৰ দেৱালয় আদিত ভূম্যাদি দান কৰি শিলালিপি প্ৰদান কৰিছিল। তেজপুৰ অঞ্চলত অৱস্থিত উমাকন বা উমাটুমনিত ১৭৩০ চনত শিৱসিংহই পূৰ্ব শংকৰ মন্দিৰ আৰু ১৭৪১ চনত উমামন্দিৰ নিৰ্মাণ কৰায়। ১৭৩০ চনত এই গৰাকী স্বৰ্গদেৱেই ভোমোৰাগুৰি পৰ্বতত ৰুদ্ৰপদ মন্দিৰ প্ৰতিষ্ঠা কৰে। গোলাঘাটৰ মিছামৰাত অৱস্থিত 'বুঢ়ীগোসানীৰ থান'ত 'শ্ৰীশিৱসিংহ-মহাৰজা শ্ৰীমদম্বিকা মহিষী'য়ে উমা-মহেশ্বৰৰ পূজা-উপাসনাৰ ব্যৱস্থা কৰে। আনুমানিক ১৭২৫ চনত শিৱসিংহ স্বৰ্গদেৱে কামৰূপৰ দেৱদুৱাৰ গ্ৰামত গোপেশ্বৰ মন্দিৰ স্থাপন কৰে। এই গৰাকী স্বৰ্গদেৱেই আনুমানিক ১৭২৫ চনত সিদ্ধেশ্বৰ শিৱ-মন্দিৰ, ১৭৩০ চনত ভুৱনেশ্বৰ শিৱ মন্দিৰ, অশ্বিবাণেশ্বৰ শিৱৰ ক্ষেত্ৰ আৰু ধাৰেশ্বৰ শিৱৰ দেৱালয় নিৰ্মাণ কৰায় আৰু বিল্বেশ্বৰ-শিৱ মন্দিৰত বিস্তৰ ভূ-সম্পত্তি দান কৰে। স্বৰ্গদেৱ শিৱসিংহ যে, শৈৱ আছিল তাৰ আভাস ওপৰৰ আলোচনাৰপৰা সহজে পাব পাৰি।

শিৱসিংহৰ দেহান্তৰৰ পাছত, ৰুদ্ৰসিংহৰ দ্বিতীয় পুত্ৰ প্ৰমত্তসিংহ (১৭৪৪-১৭৫১) ৰাজপাটত উঠে। তেওঁ নিজকে 'মহেশ্বৰচৰণচাৰণ' আৰু 'শ্ৰীগৌৰীশপদাৰবিন্দমধুপ' ৰূপে পৰিচয় দিছে। ইন্দুসিন্ধুৰ সাম্বনি শাকে (১৬৭১ শক) প্ৰমত্তসিংহ নৃপৰ আজ্ঞানুসৰি 'তৰুণ দুৱৰা বৃহৎফুকন'য়ে উত্তৰ গুৱাহাটীত স্বৰ্গদেৱ ৰুদ্ৰসিংহ স্বৰ্গী হোৱা স্থানত শিৱ লিংগ সংস্থাপন কৰি তাৰ ওপৰত এটি মঠ নিৰ্মাণ কৰি দিয়ে।

ৰাজেশ্বৰ সিংহই (১৭৫১-১৭৬৯ চন) প্ৰদান কৰা তাম্ৰশাসনত নিজকে 'হৰচৰণ চাৰণ', 'মহেশ্বৰ চৰণ ছায়ানুসৰণ পৰায়ণ', 'হৰগৌৰীচৰণনখচন্দ্ৰচকোৰ,' 'মহেশ্বৰ চৰণ কিঙ্কৰ' আৰু 'ভৱভৱানী পদাৰবিন্দমকৰন্দ মধুকৰ' ৰূপে বৰ্ণনা কৰিছে। কীৰ্তিচন্দ্ৰ বৰবৰুৱাই নাও নাওৰা আনিবৰ নিমিত্তে কলঙৰপৰা লুইতলৈ জান এটা খন্দাই উজাই আহোঁতে পৰ্বতত হৰ-গৌৰীৰ মূৰ্তি এখন পাই স্বৰ্গদেৱ ৰাজেশ্বৰ সিংহক দিয়ে। ৰাজেশ্বৰ সিংহই বশিষ্ঠাশ্ৰম, চিত্ৰাচল, মণিকৰ্ণেশ্বৰ আৰু নেগেৰিটিঙত শিৱ-মন্দিৰ নিৰ্মাণ কৰায়। এই গৰাকী স্বৰ্গদেৱৰ নিৰ্দেশমতে 'দশৰথ দুৱৰা বৃহৎ ফুকনে'— মদনগিৰীত (মদনাচল) কেদাৰ শিৱ-মন্দিৰ নিৰ্মাণ কৰায় 'আকাশ দন্তবলবসেন্দু' শকত

(১৬৮০ শক)। তেনেদৰে লক্ষ্মীনাথ সিংহ (১৭৬৯-১৭৮০ চন), গৌৰীনাথ সিংহ (১৭৮০-১৭৯৫) আদি স্বৰ্গদেৱসকলেও শৈৱধৰ্মৰ পৃষ্ঠপোষকতা কৰিছিল।

আহোম স্বৰ্গদেৱসকলৰ মুদ্ৰাসমূহৰ পৰাও অনুমান কৰিব পাৰি যে, তেওঁলোক শৈৱতন্ত্ৰৰ সমৰ্থক আছিল। স্বৰ্গদেৱ জয়ধ্বজসিংহ আৰু স্বৰ্গদেৱ চক্ৰধ্বজ সিংহৰ মুদ্ৰাই দেখুৱাই দিয়ে যে, তেওঁলোক ক্ৰমে 'হৰিহৰ' আৰু 'শিৱ-ৰাম'ৰ উপাসক আছিল।

ওপৰৰ আলোচনাৰ পৰা সিদ্ধান্তত উপনীত হ'ব পাৰি যে, আহোম স্বৰ্গদেৱসকল শিৱ-উপাসক আছিল। আমাৰ এই সিদ্ধান্তৰ অনুকূলে ঐতিহাসিক গেইট চাহাবৰ এটি মন্তব্যও দিয় কৰাব পাৰি :

> *Śaivism was also a popular religion during the rule of the Ahoms. Inspite of the success of the Śaṅkardeb's movement, Śaivism could count among its adherents a king like Pratap Singh only shows its popularity.*"[৩১]

### ৮.০১.০৮. কৈৰাতজ ধৰ্ম

শিৱক কেন্দ্ৰ কৰিয়েই উদ্ভৱ হৈছিল কৈৰাতজ বা কৈৰাতিকা মতৰ। কিৰাতসকলৰ নিজস্বীয়া পদ্ধতিৰে কিৰাতৰূপী শিৱ আৰু কিৰাতনী ৰূপী পাৰ্বতীক পূজা কৰা হৈছিল ; আৰু এই ধৰ্মীয় মতটোৱেই এনেদৰে সুদৃঢ় হৈ পৰিছিল যে, ই কৈৰাতিক বা কৈৰাতজ ধৰ্ম ৰূপে *যোগিনীতন্ত্ৰ* আদি সংস্কৃত গ্ৰন্থত উল্লিখিত হৈছে। অন্যহাতে তাহানিৰ প্ৰাগজ্যোতিষত আৰু ইংৰাজসকল এই দেশলৈ অহাৰ সময়ৰ অসম তথা বৰ্তমানৰ ভাৰতৰ উত্তৰ-পূৰ্বাঞ্চলত কিৰাত সংস্কৃতিৰ পূৰ্ণ প্ৰয়োভৰ চলি থাকোতেই সীমিত সংখ্যক আৰ্য্য বৰ্ণ হিন্দুৰ লোক এই অঞ্চললৈ প্ৰব্ৰজিত হৈছিল আৰু বৈদিক সংস্কৃতি আৰু কিৰাত সংস্কৃতিৰ পাৰস্পৰিক প্ৰভাৱৰ পৰিণতিত এটা নতুন সংস্কৃতিৰ জন্ম হ'ল — যি সংস্কৃতিৰ নাম কৈৰাতজ সংস্কৃতি (বা কৈৰাতজ ধৰ্ম বা কিৰাত ধৰ্ম)। এই প্ৰসংগত *যোগিনীতন্ত্ৰ*ৰ এটি উক্তি বিচাৰ্য্য। যেনে :

*সৰ্ব্বেশো যোগিনী পীঠে ধৰ্মং কৈৰাতজং মতং।।*[৩২]

অৰ্থাৎ সৰ্বেশ যোগিনী পীঠত (অৰ্থাৎ কামাখ্যাত অৰ্থাৎ কামৰূপত অৰ্থাৎ বৰ্তমানৰ উত্তৰ-পূৰ্বাঞ্চলত) কিৰাত ধৰ্মহে প্ৰচলিত।

এই প্ৰসংগত আমি ক'ব পাৰো যে, যদিও হিন্দুধৰ্মই ব্ৰহ্মপুত্ৰ আৰু সুৰমা উপত্যকাত প্ৰাধান্য লাভ কৰিছে, তথাপি হিন্দুধৰ্ম এই দুই উপত্যকাৰ আদিম ধৰ্ম নহয়। কিন্তু হিন্দুধৰ্মৰ প্ৰচলনৰ আগত ইয়াৰ অধিবাসীবোৰৰ কি ধৰ্ম আছিল, সেই বিষয়ে একো জনা নাযায়। বৌদ্ধ বা আন যি কোনো ধৰ্মৰ ঠাই ই যে অধিকাৰ কৰিছে, তাৰো একো চিন-চাব পোৱা নাযায়।... হিন্দুধৰ্ম বৈদিক ধৰ্মৰ পৌৰাণিক সংস্কৰণ। হিন্দুসকল অসম দেশলৈ অহাৰ লগে লগেহে ইয়াৰ প্ৰচলন সম্ভৱ।

পৰ্বত-পাহাৰ বা ভৈয়াম আদিত বাস কৰা অহিন্দু জনজাতিবোৰৰ ভিতৰত যিদৰে বিভিন্ন মৌলিক ধৰ্ম চলি আছে — দূৰ অতীততো তেনেদৰে তেওঁলোকৰ মাজত নানা কৌলিক ধৰ্ম চলি আছিল। এইসকলৰ বাহিৰেও আন জাতি-উপজাতিৰ মাজত হিন্দুধৰ্মই ব্যাপকভাৱে বিস্তৃতি লাভ কৰাৰ পৰিণতিত অহিন্দু জাতি-উপজাতিৰ সাংস্কৃতিক উপাদানবোৰে হিন্দুধৰ্মৰ দেহত প্ৰৱেশ কৰিবলৈ সুবিধা পালে অৰ্থাৎ আৰ্য্য আৰু অনা-আৰ্য্য সংস্কৃতিৰ মাজত সমীভৱন প্ৰক্ৰিয়া বা সমন্বয় প্ৰক্ৰিয়া আৰম্ভ হ'ল আৰু এই ঐতিহাসিক আৰু সাংস্কৃতিক প্ৰক্ৰিয়াই কৈৰাতজ সংস্কৃতিৰ পথ-পৰিক্ৰমা সুগম কৰি তুলিলে। কিৰাত আৰু আৰ্য্যসংস্কৃতিৰ মিলনে অসমৰ সামাজিক জীৱন আৰু সাংস্কৃতিক জীৱনত স্বাতন্ত্ৰ্য প্ৰদান কৰিলে — অৰ্থপূৰ্ণভাৱে।

কৈৰাতজ মত বা ধৰ্মৰ উদ্ভৱ সম্পৰ্কত ড° বাণীকান্ত কাকতিয়ে এনেদৰে কৈছে :

(ক) 'আৰ্য্য-অনাৰ্য্যৰ সংমিশ্ৰণৰ পৰা যি ধৰ্মৰ অভ্যুদয় হ'ল তাক *যোগিনী তন্ত্ৰ* গ্ৰন্থকাৰে কৈৰাতজ ধৰ্ম বুলিছে।'[৩৩]

(খ) 'কামৰূপৰ ধৰ্ম কৈৰাতজ (কিৰাত বা পৰ্বতীয়া জাতিৰ আচাৰপৰম্পৰা সম্ভূত)। কামৰূপত সন্ন্যাস বিধি বা কোনো দীৰ্ঘব্ৰতৰো ব্যৱস্থা নাই। ইয়াত মাছ, মাংস ত্যাগ কৰাৰ বিধি আৰু ব্ৰহ্মচৰ্য্যা মতো নাই। ইয়াত হাঁহ, পাৰ, কাছ, গাহৰি ধৰ্ম পাৰি। এৰিলে দুৰ্গতি হয়। সেইকাৰণে ইয়াত সংসৰ্গ দোষ (জাতি-বৰ্ণ নিৰ্বিশেষে মিলামিচা কৰাত দোষ) নাই। স্ত্ৰী ধৰ্মও (স্ত্ৰীধৰ্ম = ঋতু। অৰ্থাৎ ঋতুকালত সঙ্গম কৰিব লাগে) ধৰ্ম বুলি মানি ল'ব লাগে (কিয়নো ইয়াত ব্ৰহ্মচৰ্য্য সিদ্ধ নহয়)। ইয়াৰ তিৰোতাবোৰে সদায় তামোল খায়। সিহঁতৰ দাঁত বগা নহয়। ... তাক সদাচাৰ বুলি ধৰি লোৱা হয়।'[৩৩]

মহাৰাজ নৰনাৰায়ণে আহোমৰ বিৰুদ্ধে যুদ্ধযাত্ৰা কৰিবৰ সময়ত শিৱৰ আদেশ মতে কছাৰী ৰীতিৰে শিৱ-পূজা কৰিছিল। গোহাঁই-কমলাৰ আলিক মাজ-সীমা কৰি (অৰ্থাৎ সোণকোষ নদীৰ) উত্তৰফালে যিমান দেৱ-দেৱীৰ মন্দিৰ আছে সেইবোৰত কোচ-মেচে পূজা কৰিব আৰু দক্ষিণ ফালৰ দেবালয়বোৰত বামুণে পূজা কৰিব। ইয়াৰ উল্লেখ দৰঙ ৰাজবংশাৱলীত পোৱা যায়। যেনে ঃ

*গোহাঁই কমলা আলি মধ্যে সীমা কৰি।*
*উত্তৰৰ ফালে আছে যতেক কছাৰী।।*
*সেহিফালে দেৱালয় আছে যত যত।*
*কোচে মেচে পূজিবেক মোহোৰ বাক্যত।।*
*দক্ষিণৰ ফালে পূজা ব্ৰাহ্মণে কৰিব।*
*এহি নিবন্ধনে সবে ধৰ্ম প্ৰবৰ্ত্তিব।।*
*ভোট কছাৰী যে, তই মদ ভাত খাবি।*
*মাটিৰ কাৰণে মোক সোণা ঘোড়া দিবি।। ...*[৩৪]

শৈৱধৰ্ম বা শৈৱ সম্প্ৰদায় যে, লৌকিক-পৌৰাণিক আৰু বৈদিক সংস্কৃতিৰ সংশ্লেষণত উদ্ভৱ আৰু বিকাশ হৈছিল তাত সন্দেহ নাই।